# সুশৃঙ্খল ভাবে ঋণ লওঁক

বিত্তীয় সাক্ষৰতা সপ্তাহ
জুন ৫-৯, ২০১৭

## সুবিবেচনাৰে ঋণ লওঁক

আপোনাৰ পৰিশোধ কৰিব পৰা ক্ষমতাৰ ভিতৰত থাকি ধাৰ লওঁক আৰু এনে সম্পত্তিত বিনিয়োগ কৰক য'ৰ পৰা আপোনাৰ উপাৰ্জন হয় আৰু মূল্য সংযোজন হয়। ভাল ধাৰৰ উদাহৰণ হ'ল—

- ঘৰ বনাবলৈযকিনিবলৈ লোৱা বন্ধকী ঋণ
- সন্তানৰ উচ্চ শিক্ষাৰ বাবে লোৱা শৈক্ষিক ঋণ। অনলাইন আবেদন কৰিবৰ বাবে বিদ্যালক্ষ্মী পৰ্টেল চাওঁক (https://www.vidyalakshmi.co.in)
- আপোনাৰ ব্যৱসায়ৰ সপোন পূৰণ কৰিবলৈ লোৱা অতি ক্ষুদ্ৰ আৰু ক্ষুদ্ৰ ব্যৱসায়ী ঋণ। উদ্যমী মিত্ৰ পৰ্টেল চাওঁক (https://udyamimitra.in)



## ধাৰ লোৱাৰ পিছত

- ঋণৰ কোনো কিস্তি পৰিশোধ কৰিবলৈ নাপাহৰিব
- পলমকৈ কৰা পৰিশোধে আপোনাৰ ঋণ ইতিহাসযক্ৰেডিট স্ক'ৰত বেয়া প্ৰভাৱ পেলাব
- কিবা কাৰণত পৰিশোধ কৰা পলম হ'লে আপোনাৰ বেংকক জনাব
- আপোনাৰ ঋণ সময়মতে পৰিশোধ কৰক যাতে আপোনাৰ ঋণৰ ইতিহাস ভাল হৈ থাকে।

## ক্ৰেডিট স্ক'ৰ

আপোনাৰ ঋণৰ ইতিহাসৰ ওপৰত নিৰ্ভৰ কৰি আপোনাক এটা ক্ৰেডিট স্ক'ৰ দিয়া হয়। এই স্ক'ৰ যিমানেই বেছি হ'ব সিমানেই আপোনাৰ ঋণ যোগ্যতা বেছি হ'ব আৰু ঋণ পোৱাৰ সম্ভাৱনা বৃদ্ধি কৰিব।




## বিনামূলীয়া ক্ৰেডিট ৰিপ'ৰ্ট

ঋণৰ ইতিহাস থকা কোনো ব্যক্তিয়ে বছৰেকত এবাৰকৈ (জানুৱাৰীৰ পৰা ডিচেম্বৰ) এখন বিনামূলীয়া সম্পূৰ্ণ ক্ৰেডিট ৰিপ'ৰ্ট যিকোনো এটা ঋণ তথ্য যোগানধাৰী কোম্পানীৰ পৰা ল'ব পাৰিব। ১। ট্ৰেন্স ইউনিয়ন ক্ৰেডিট ইনফৰমেচ্ন ব্যুৰ' (ইণ্ডিয়া) লিমিটেড ২। ইকুইফেক্স ক্ৰেডিট ইনফৰমেচ্ন চাৰ্ভিচেছ প্ৰাইভেট লিমিটেড ৩। এক্সপেৰিয়ান ক্ৰেডিট ইনফৰমেচন কোম্পানী অফ ইণ্ডিয়া প্ৰাইভেট লিমিটেড আৰু ৪। চি আৰ আই এফ হাই মাৰ্ক ক্ৰেডিট ইনফৰমেচন চাৰ্ভিচেছ প্ৰাইভেট লিমিটেড

Design: Anupam Sharma01/17-03

বিত্তীয় সাক্ষৰতা ● প্ৰগতিৰ পথ

ই চি ডি

বিত্তীয় সমাৱেশন আৰু বিকাশ বিভাগ
ভাৰতীয় ৰিজাৰ্ভ বেংক
www.rbi.org.in